## কৃতজ্ঞতা

“সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্য” এটি আলোচনা শীৰ্ষক প্ৰকল্পখন ড° মৃণালী কাগয়ুং বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

জ্ঞান হ'ল এক অমূল্য সম্পদ। শৈশৱৰ পৰা আমি জ্ঞান লাভ কৰি আহিছোঁ। নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিকৰ প্ৰকল্প পাঠক্ৰমটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই প্ৰকল্পটো ৰূপায়ন কৰোতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাসকলক মই বিশেষভাৱে ধন্যৱাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই গৱেষণা প্ৰত্ৰখনি প্ৰস্তুত কৰাত তত্ত্বাৱধায়কৰ দায়িত্বলৈ গৱেষণা বিষয়ৰ প্ৰয়োজনীয় সকলো দিশত পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে অসমীয়া বিভাগৰ অধ্যাপিকা ড° মৃণালী কাগয়ুং বাইদেউৰ নাম সৰ্ব প্ৰথমে ল'ব লাগিব। তেখেতলৈ পোন প্ৰথমেই কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন দিশত সহায় আগবঢ়োৱা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° স্নিগ্ধা ৰাণী ৰাভা বাইদেউ, বিভাগীয় অধ্যাপিকা ড° বৰ্ণালী শইকীয়া আৰু গৌতম বৰা ছাৰলৈ এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ক্ষেত্ৰ অধ্যয়নত যি সকল সমল ব্যক্তিৰ তথ্যৰ আধাৰত এই আলোচনা পত্ৰখন আগবঢ়োৱা হৈছে তেখেতসকলৰ ভিতৰত শ্ৰীমতী বিনা কছাৰী, শ্ৰীমতী লক্ষীমাই কছাৰী, শ্ৰী মণিৰাম সোণোৱাল, শ্ৰীমতী বিমলা সোণোৱাল আৰু শ্ৰীমতী ললিতা কছাৰী আদি সকলোলৈকে শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো। সাক্ষাৎকাৰ, তথ্য সংগ্ৰহৰ সময়ত সহায় কৰা মৰমৰ বান্ধৱি প্ৰিয়াশ্ৰী বৰুৱা, চয়নিকা শইকীয়া আৰু পলি কলিতাৰ ওচৰত মই সদায় কৃতজ্ঞ।

গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায় সহযোগিতা আগবঢ়োৱা মোৰ মা-দেউতা আৰু বিভিন্ন সময়ত দিহা পৰামৰ্শৰে উৎসাহিত কৰাৰ লগতে মানসিকভাৱে প্ৰতিটো মূহুৰ্তত লগ দিয়াত তেওঁলোকক এই সুযোগতেই মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰি আলোচনা পত্ৰখন ডি.টি.পি. কৰি প্ৰস্তুত কৰাত সহায় কৰা যতীন শইকীয়া দাদাক ধন্যবাদ জ্ঞাপন কৰিলো।

বাৰ্বী গগৈ
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়

# <u>সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্য</u>

## <u>সূচীপত্ৰ</u>


কৃতজ্ঞতা

তত্ত্বাৱধায়কৰ প্ৰমাণ পত্ৰ

বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ

০.০০ অৱতৰণিকা

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ উদ্দেশ্য

০.০৩ বিষয়ৰ পৰিসৰ

০.০৪ বিষয়ৰ পদ্ধতি

০.০৫ পূৰ্বকৃত অধ্যয়ন

প্ৰথম অধ্যায় ঃ ১.০০ সোণোৱাল কছাৰী সকলৰ পৰিচয় আৰু ইতিহাস

দ্বিতীয় অধ্যায় ঃ ২.০০ বহুৱা নাচৰ উৎপত্তি আৰু পৰিচয়

তৃতীয় অধ্যায় ঃ ৩.০০ বহুৱা নৃত্যৰ তাৎপৰ্য আৰু জনশ্ৰুতি

চতুৰ্থ অধ্যায় ঃ ৪.০০ পৰিৱেশনৰ স্থান

৪.০১ পৰিৱেশনৰ সময়

৪.০২ পৰিৱেশনৰ ৰীতি

৪.০৩ লোকবিশ্বাস

৪.০৪ বাদ্যযন্ত্ৰ

৪.০৫ বহুৱা নৃত্যৰ গীত

পঞ্চম অধ্যায় ঃ ৫.০০ সিদ্ধান্ত

৫.০১ উপসংহাৰ

প্ৰসংগটোকা

গ্ৰন্থপুঞ্জী

সমলদাতাৰ সকলৰ সংক্ষিপ্ত তথ্য

আলোকচিত্ৰ

**০.০০ অৱতৰনিকা ঃ**

বাৰে ৰহনীয়া অসমৰ বিভিন্ন জাতি জনজাতিৰ সমন্বয়ৰ ক্ষেত্ৰ। এই ক্ষেত্ৰত অসমীয়া কৃষ্টি-সংস্কৃতিলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা, বৰ্তমানে ভৈয়াম অঞ্চলত কাম কৰি থকা জনগোষ্ঠীটোৱেই হৈছে উজনি অসমৰ সোণোৱাল কছাৰীসকল।

নৃতাত্বিক বিচাৰত সোণোৱাল কছাৰীসকল মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত আৰু ভাষাতাত্বিক বিচাৰত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অন্তৰ্গত। এই জনগোষ্ঠীৰ লোকসকল বৰ্তমানে উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, লখিমপুৰ আৰু ধেমাজি জিলাৰ প্ৰায় ছয়খন গাৱঁত বাস কৰি আছে। অৱশ্যে কম বেছি পৰিমাণে অসমৰ অন্যান্য দুই এখন জিলাতো এই জনগোষ্ঠীৰ লোকৰ বসতি আছে।

সময়ৰ সোঁতত বিভিন্ন ঘাট প্ৰতিঘাতৰ মুখা মুখি হোৱা সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত সামাজিক জীৱন, ঘৰুৱা জীৱন, সাজপাৰ, ৰন্ধন প্ৰকৰণ, ৰীতি-নীতি, উৎসৱ-পাৰ্বন, জন্ম-মৃত্যু-বিবাহ, লোক সাহিত্য আদি দিশত বিশেষ বিশেষ স্বকীয় বিশেষত্ব পৰিলক্ষিত হয়।

সোণোৱাল কছাৰীসকল সমাজ গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰে নিয়ন্ত্ৰিত। সমাজৰ সকলো কাম হাউৰী প্ৰথাৰে পৰিচালিত হয়। ঘৰুৱাভাৱে কৰা কামেই হওঁক সমাজৰ কামেই হওঁক সকলো ক্ষেত্ৰতে এই হাউলী প্ৰথাৰে অৰ্থাৎ শ্ৰম বিনিময় প্ৰথাৰে কাৰ্যকৰণ কৰা দেখা যায়।

গাওঁ পৰিচালনাৰ বাবে আশীৰ্বাদীয়া, মেধি, বাৰিক, তামুলী, পঠকী, গীত বাই বায়ন, ৰান্ধনী, বিলনীয়া আদি বিষয় বৰ্বৰ গাঁৱৰ যোগ্য ব্যক্তিসকলৰ মাজৰ পৰা নিৰ্বাচন কৰি সমাজৰ সামূহিক দায়িত্ব অৰ্পন কৰা হয়। এই দায়িত্বভাৰ বহন কৰা সেৱা আগবঢ়োৱা এই ব্যক্তিসকলক গাঁৱৰ ৰাইজে বিহুৰ সময়ত হুঁচৰি গাওঁতে পোৱা বিহুৱান চেলেং চাদৰ, গামোচা প্ৰদান কৰি সন্মান জনোৱা হয়।

সোণোৱাল কছাৰী সমাজৰ নীতি নিয়মবোৰ অতি নিকপকগীয়া। গাঁৱৰ নীতি নিয়ম কোনেও উলংঘা কৰিব নোৱাৰে। গাঁৱৰ নীতি নিয়মবোৰ উলংঘা কৰি অপৰাধমূলক কাম কৰিলে গাঁৱৰ সমাজে বিচাৰ কৰি সমাজৰ পৰা এঘৰীয়া কৰি দিয়ে। অৰ্থাৎ গাঁৱৰ ৰাইজে 'খুটিমাৰে'। খুটিমৰা ব্যক্তিৰ ঘৰলৈ কোনো মানুহ কোনো মানুহ যাব নোৱাৰে।

অসমৰ বাৰেৰহনীয় সংস্কৃতিৰ পৃষ্ঠভূমিত বিষয়ভাবে অৰিহণাবআগবঢ়োৱা সোনোৱাল সকলৰ উল্লেখযোগ্য কোনো বুৰঞ্জী বা লিখিত বিৱৰণ পাবলৈ নাই। কিন্তু তেওঁলোকৰ যিবিলাক লোকগীত-মাত আছে সেই গীত-মাত, নৃত্য বা নাচসমূহৰ মাজতেই তেওঁলোকৰ এই গৌৰৱোজ্বল ঐতিহ্য নিহিত হৈ আছে।

**০.০১ বিষয়ৰ পৰিচয় ঃ**

সোণোৱাল কছাৰীসকল অসমৰ ভৈয়ামৰ অন্যান্য জনজাতি সকলৰ ভিতৰত অন্যতম। অসমৰ অন্যান্য জনজাতিসকলৰ দৰে তেওঁলোকৰো নিজা সুকীয়া বাৰেৰহনীয়া বৈশিষ্টঞ্জযপূৰ্ণ কলা-সংস্কৃতি আছে। সোণোৱাল কছাৰীসকল অসমৰ কেৱল ভূমিপুত্ৰ জনজাতিয়েই নহয়, সাংস্কৃতিক ভাৱে চহকী এটা জাতি। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ জনজাতিসকলৰ সকলোৰে নিজস্ব ৰীতি-নীতি পৰম্পৰা পৰিলক্ষিত হয়। অসমৰ তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল কছাৰীসকলৰ মাজতো বিভিন্ন নীতি-নিয়মৰ মাজেৰে বিভিন্ন কৰ্ম সম্পাদিত কৰা দেখা যায়। যিবোৰ উমৈহতীয়া ৰীতি-নীতি, সামাজিক পৰম্পৰা, বিশ্বাস আৰু জীৱন নিৰ্বাহৰ স্বকীয় প্ৰণালী একোমুথি বান্ধক এটা জাতি মত্বা বুলি চিনাকি দিব পৰাকৈ সবল কৰি তোলে এই সকলোবোৰ সোণোৱাল কছাৰীসকলৰ মাজত আছে।

অসমৰ অন্যান্য জনগোষ্ঠীবোৰৰ দৰে সোণোৱাল কছাৰীসকলৰ নিজস্ব কৃষ্টি সংস্কৃতি আছে। সোণোৱাল কছাৰীসকল সাংস্কৃতিক ক্ষেত্ৰত চহকী। সোণোৱাল কছাৰী সমাজত প্ৰচলিত এক অন্যতম জনপ্ৰিয় নৃত্য হৈছে বহুৱা নৃত্য।

সাত বিহুৰ আগদিনা ওচৰৰ নৈ বা বিল এখনৰ কাষৰ জোপোহা হাবি এডৰাৰ মাজত জুপুৰি ঘৰ সাজি বহুৱা নৃত্য কৰিবলৈ লোৱা ব্যক্তি আৰু সহযোগীসকলে গৈ ৰাতি উপবাসে থাকে। জুপুৰী ঘৰৰ বহুৱা নৃত্যৰ সামগ্ৰীবোৰ গোটাই লৈ আঠিয়া কলৰ পাতবোৰ একেবাৰে সৰু সৰু মিহি - মিহি কৰি, চিৰিলি - চিৰিলি কৰি ফালি লোৱা হয়। সাধাৰণতে মূল বহুৱা নৰ্ত্তকী তিনিজন থাকে। গতিকে তিনিজন বহুৱাৰ বাবে তিনিটা কলপাতৰ বহুৱা সাজ সাজিব লাগে। এডাল মাত্ৰ দীঘল ৰছীৰে কলপাতবোৰ গাঁঠি লৈ দুই ভৰি, দুই হাত, সৰ্বশৰীৰ আৰু মূৰৰলৈকে ঢাকিব পৰাকৈ বহুৱা মাজতো সাজি উলিয়াব লাগে। বহুৱা নৰ্ত্তকীৰ গাত অন্তঃ বাসৰ বাহিৰে কোনো ধৰণৰ বস্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰে। এনেদৰে আঠীয়া কলৰ পাতেৰে বহুৱা কলৰ সাজ সাজি বহুৱা নৰ্ত্তকী তিনিজনক সজাই লোৱা হয়। এজন বহুৱাৰ নৰ্ত্তকী মূৰত শিংযুগুা ছাগলী মূৰৰ মুখা পিন্ধাই দিয়া হয়।

তাল মৃদঙ্গৰ ছেৱে ছেৱে তাল মিলাই বহুৱা নৰ্ত্তকীয়ে নাচিবলৈ ধৰে। কোনো কোনো ঠাইত তাল-মৃদঙ্গৰ পৰিবৰ্তে ঢোল-তাল ব্যৱহাৰ কৰা দেখা যায়। বহুৱা নৃত্য চোৱা ৰাইজে নিজৰ নিজৰ লগত থকা আ-অলংকাৰ, প-পইচা, আঙুঠি, খাৰু বহুৱা নৃত্য কৰা নৰ্ত্তকীলৈ দলিয়াই দিয়ে। বহুৱা নৰ্ত্তকীয়ে নাচি নাচি ৰাইজে দিয়া দা-দক্ষিণাবোৰ লৈ ওচৰত নৈ বা বিলৰ কাষলৈ গৈ বহুৱাৰ সাজপাৰ খুলি পানীত বিসৰ্জন দিয়ে। নৈ বা বিলৰ পাৰত বহুৱা নৰ্ত্তকী আৰু সংযোগীসকলে পূজা-সেৱা কৰি ভোজ-ভাত খাই নতুন সাজ-কাপোৰ কানি পিন্ধি ঘৰলৈ আহে।

**২.০২ বিষয়ৰ উদ্দেশ্য ঃ**

সংস্কৃতি হ'ল জাতি এটাৰ সৌন্দৰ্যৰ ভূষণ। সংস্কৃতিয়ে জাতি এটাৰ ৰুচি অভিৰুচিক প্ৰকাশ ঘটায়। কোনো এটা মানৱ জাতিৰ মাজত বছৰ বছৰ ধৰি পৰম্পৰাগতভাৱে চলি অহা কিছুমান নীতি-নিয়ম, ৰুচি-অভিৰুচি, বিশ্বাস-অন্ধবিশ্বাস, জ্ঞান-ধৰ্ম আদিৰ মাজেদি গঢ় লৈ উঠা এটা প্ৰক্ৰিয়া। সংস্কৃতি মানৱ সৃষ্ট সামাজিক আচৰণ বাৰেৰহণীয়া সংস্কৃতিৰ মিলন ভূমি। এই অসম নামৰ ভূ খণ্ডত বিভিন্ন জাতি-জনগোষ্ঠীয়ে নিজৰ সংস্কৃতিক বৰ্তি আছে । অসমত বাস কৰা প্ৰতিটো জনগোষ্ঠীৰ নিজা সামাজিক নীতি-নিয়মৰ মাজেৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়।

অতীজৰপৰা বৰ্তমানলৈকে সোণোৱাল কছাৰীসকল সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়া। গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য হৈছে - সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত বহুৱা নৃত্য সম্পৰ্কে পুংখানপুংখভাৱে আলোচনা কৰাৰ লগতে আনুষংগিক দিশসমূহ দাঙি ধৰা।

বৰ্তমান বিশ্বায়নৰ যুগত মানুহৰ বস্তুবাদী চিন্তাধাৰাই পৰম্পৰাগত কলা সংস্কৃতিত যথেষ্ট প্ৰভাৱ পেলাইছে। সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্যৰ দিশতো এনে প্ৰভাৱ পৰিলক্ষিত হয়। দেখা যায় যে তেওঁলোকৰ লোকনৃত্য সমূহৰ মাজৰপৰা বহুৱা নৃত্যৰ প্ৰচলন হ্ৰাস পাইছে। ফলস্বৰূপে, বহুৱা নৃত্য আপুৰুগীয়া সম্পদৰ দৰেই হৈ পৰিছে। গতিকে, এনে ক্ষেত্ৰত "সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত বহুৱা নৃত্য: এক আলোচনা" শীৰ্ষক বিষয়টো অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে বুলি ক'ব পাৰি।

**০.০৩ বিষয়ৰ পৰিসীমা ঃ**

গৱেষণা পত্ৰখনিত সোণোৱাল কছাৰী জনগোষ্ঠীৰ এটি পৰিচয় দিয়া লগতে তেওঁলোক সমাজত প্ৰচলিত বহুৱা নৃত্য বিষয়ে আলোচনা কৰা হৈছে। পত্ৰখনিত বহুৱা নৃত্যৰ উৎপত্তি লগতে তাৰ লগত জড়িত জনশ্ৰুতি লোক-বিশ্বাস, লোকাচাৰ আদি বিষয়সমূহ সামৰি লোৱা হৈছে।

**০.০৪ বিষয় অধ্যয়নৰ পদ্ধতি ঃ**

কোনো এখন গৱেষণা পত্ৰ প্ৰস্তুত কৰিবলৈ হ'লে প্ৰথমতে বিজ্ঞানসন্মত ভাৱে আলোচনা কৰিব লাগিব। গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবলৈ কেইবাটাও পদ্ধতি অৱলম্বন কৰা হৈছে।

প্ৰথমতে পত্ৰখনি প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহ পদ্ধতি হিচাপে সাক্ষাৎকাৰ পদ্ধতি সহায় লোৱা হৈছে। এই পদ্ধতিত প্ৰধানকৈ কিছুমান গাঁৱলৈ গৈ তাত থকা মানুহৰ লগত সাক্ষাৎকাৰ লোৱা হৈছে। দ্বিতীয়তে পত্ৰখনি প্ৰস্তুত কৰিবলৈ প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি আৰু পৰিচয়মূলক পদ্ধতি অৱলম্বন কৰা হৈছে। বিষয়টোৰ লগত প্ৰথমতে পৰিচয় হ'ব লাগিব আৰু বিষয়টো ভালদৰে বিশ্লেষণ কৰি গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে।

বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে সোণোৱাল জনগোষ্ঠীৰ বিভিন্ন পৰিচয়মূলক গ্ৰন্থৰ সহায় লোৱা হৈছে।

**০.০৫ পূৰ্বকৃত অধ্যয়ন ঃ**

গৱেষণা পত্ৰখন অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে বহুকেইজন গৱেষক সাহিত্যিক সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকনৃত্য তথা সংস্কৃতি বিষয়ে বহুতো গ্ৰন্থত আলোচনা দেখা যায়। সোণোৱাল কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত লোকনৃত্যৰ বিষয়ে অধ্যায়ন কৰা কেইখনমান গ্ৰন্থৰ নাম তলত আলোচনা কৰা হ'ল -

- ডঃ অংশুমান দাসৰ দ্বাৰা সম্পাদনা কৰা "অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ" গ্ৰন্থখনত তুলসী সোণোৱালে সোণোৱাল কছাৰী জনগোষ্ঠীৰ বহুৱা নৃত্য তাৰ লগত জড়িত লোকাচাৰ, লোকবিশ্বাস আদিৰ বিষয়ে অধ্যয়ন কৰা দেখা যায়।

- ডঃ স্নিগ্ধা মহন্ত, বিমান কুমাৰ দলে সম্পাদনা কৰা "অসমৰ লোকনৃত্য-নাট্য পৰম্পৰাৰ গঠন আৰু পৰিবেশ্য কলা "গ্ৰন্থত সোণোৱাল কছাৰী বহুৱা নৃত্য পৰিৱেশন, ৰীতি পৰিৱেশন, স্থান, বাদ্যযন্ত্ৰ, সাজপাৰৰ বিষয়ে অধ্যায়ন কৰা দেখা যায়।

- লভিত কুমাৰ শইকীয়া সম্পাদনা কৰা "সোণোৱাল কছাৰীৰ সংস্কৃতি গ্ৰন্থত সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্যৰ বিৱৰণ আৰু বহুৱা নৃত্যৰ তাৎপৰ্য বিষয়ে আলোচনা কৰা হৈছে।

- নন্দেশ্বৰ কছাৰী দ্বাৰা সম্পাদনা কৰা "সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষা পৰিচয়" গ্ৰন্থত সোণোৱাল কছাৰীসকলৰ পৰিচয়, সোণোৱাল কছাৰী সমাজ সংস্কৃতি, বহুৱা নৃত্যৰ গীত আদি আলোচনা কৰা হৈছে।

ইয়াৰ উপৰিও প্ৰমোদ চন্দ্ৰ দাস সম্পাদনা কৰা অসমৰ সংস্কৃতি জিজ্ঞাসা, অসমৰ লোকসংস্কৃতিত ডঃ গণেশ পেগুৰ আদি বিভিন্ন গ্ৰন্থত সোণোৱাল কছাৰীসকলৰ লোক নৃত্য বিষয়ে অধ্যয়ন কৰা হৈছে।

**প্ৰথম অধ্যায়**

## মূল বিষয়ৰ আলোচনা

## ১.০০ সোণোৱাল কছাৰীসকলৰ চমু পৰিচয় ঃ

সোণোৱাল কছাৰীসকল অসমত বসবাস কৰি অহাৰ কাল অতি পুৰণি। নৃগোষ্ঠীয় দৃষ্টিৰে বিচাৰ কৰিলে সোণোৱাল কছাৰীসকল মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত। এই জনগোষ্ঠীৰ লোক বিশেষকৈ অসমৰ উজনি অঞ্চলহে দেখা যায়। অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত সোণোৱাল কছাৰীসকলৰ বসতি আছে। তদুপৰি চুবুৰীয়া ৰাজ্য নাগালেণ্ড, অৰুণাচল প্ৰদেশতো বসতি দেখা যায়।

সোণোৱাল কছাৰীসকলৰ মূল আৰাধ্য দেৱ-দেৱী হৈছে বাইথ' বা শিৱ আৰু ভূৰুলী বা মতী। "সোণোৱাল কছাৰীসকলৰ আন এক জনশ্ৰুতিমতে তেওঁলোকে নিজকে ভীমৰ পুত্ৰ আৰু হিড়িম্ব মাও বুলি পৰিচয় দিয়ে"। পৰম্পৰা অনুসৰি তেওঁলোকৰ মাজত বলি-বিধানৰ প্ৰথাও আছিল। কিন্তু এইবোৰ এতিয়া অপ্ৰচলিত। সোণোৱালসকলৰ মুঠ সাতটা খেল, চৈধ্যটা বংশ আৰু বংশই প্ৰতি চাৰিটাকৈ সঁচ আছে। সোণোৱাল সমাজৰ নিয়ম অনুসৰি একে বংশৰ মাজত বিবাহৰ দৰে সামাজিক সম্বন্ধ হ'ব নোৱাৰে। সোণোৱালসকলৰ প্ৰধান ধৰ্মীয় অনুষ্ঠান হৈছে - বাইথ' পূজা। ইয়াত শিৱ আৰাধনা কৰা হয়।

বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰেপৰাই কছাৰীসকলে ভাৰতৰ পূব প্ৰান্তৰ অসমী আইৰ কোলাত বসতি স্থাপন কৰি আহিছে। ভাৰতবৰ্ষৰ মানৱ ইতিহাসত আগ্নেয় আৰু অষ্টিক জাতিৰ পিছতে কছাৰীসকল অসমৰ বাসিন্দা হিচাপে বসবাস কৰাৰ উল্লেখ পোৱা যায়।

কিৰাট মংগোলীয় জনগোষ্ঠীৰ ভিতৰত সোণোৱাল কছাৰীসকলে নিজকে বলীৰজাৰ বংশধৰ বুলি চিনাকী দি গৌৰৱবোধ কৰে। তিনিশ তিনিকুৰি তিনিদিনৰ মূৰত অৰ্থাৎ প্ৰতি বছৰৰ মূৰত বলীৰজাই সুতল পুৰিৰপৰা আহি নিজৰ সন্তানসকলক আশীৰ্বাদ দি যায় বুলি অতল বিশ্বাস ৰাখি বহাগ বিহুৰ সময়ত হুঁচৰিৰ যোগেদি প্ৰতি ঘৰে ঘৰে সুচাই ফুৰে, সৰ্বমংগলৰ কামনাৰে আশীৰ্বাদ দি যায়।

সোণোৱাল কছাৰীসকলৰ চৈধ্য বংশৰ ভিতৰৰে এটাৰ নাম হ'ল চেতিয়াল। চেতিয়াল বংশৰ ৰজাই হ'ল শদিয়াল হালালী ৰাজ্যৰ শেষ ৰজা। এই চেতিয়াল বংশৰ পৰাই চুতীয়া বংশৰ উৎপত্তি । গতিকে চুতীয়াসকল কোনো বেলেগ জাতিৰ মানুহ নহয়; কছাৰী জাতিৰে এটা ঠাল। চাতিয়াল বংশৰ ৰজাৰ ৰাজত্বৰ দিনতেই টাই জাতিৰ লোকসকল অসমলৈ আহে আৰু এদিন হালালী ৰাজ্যকো টাই জাতিৰ অধীনলৈ আনি কৰতলীয়া ৰাজ্য কৰি ৰাখে। সেয়েহে 'আং হোম' বুৰঞ্জীবিদসকলে সেই চেতিয়াল বংশৰ ৰজাসকলক চেতিয়ালৰ ঠাইত চুতীয়া বুলি বুৰঞ্জীত উল্লেখ কৰি গৈছে। যি কি নহওঁক গঙ্গা, ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থলেদি আহি ত্ৰিকোণাকৃতি অসম ভূমিত প্ৰৱেশ কৰা কছাৰীসকলৰে এটা ঠাল কামৰূপৰ নীলাচল পাহাৰ অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰে তেজপুৰ, দৰং, উত্তৰ লক্ষীমপুৰ আদি নানা ঠাইত বহুত দিন ৰাজত্ব কৰাৰ পিছত আগুৱাই গৈ সোৱনশিৰি নৈ পাৰ হৈ শদিয়াত প্ৰৱেশ কৰে। ৮৩০ খ্ৰীষ্টাব্দত ভাস্কৰ বংশৰ ৰজাই দিমালাং আৰু কৌত্তিল্যত ৰাজত্ব কৰাৰ কথা উল্লেখ পোৱা যায়। কৌত্তিল্য ৰাজ্য সেই সময়ত হালালী ৰাজ্য নামেৰে পৰিচিত আছিল; যাৰ অৰ্থ হ'ল (হা-মাটি, লালী-সুন্দৰ) সুন্দৰ ভূমি। ইয়াৰ ৰাজধানী আছিল লালী। হায়দাং গীতত উল্লেখ থকা মতে দিহিং দিবাং টেঙাপানী, ন দিহিং, দিহিং, কুত্তিল, সোৱণশিৰি আদি নৈৰ অৱবাহিকা

আৰু অবিভক্ত লোহিত জিলাৰ খেৰেম, বেৰেম, মাবিৰা, পচলা, লা, চকতো চলিহা, মুদৈ মুখ, মহং আদি বিস্তীৰ্ণ ভূ-ভাগ এই হালালী ৰাজ্যৰ অন্তৰ্গত আছিল। হালালী ৰাজ্যত সোণোৱালসকলৰ ১) মদন, ২) মণিকীয়াল, ৩) হগ্ৰাল, ৪) মুণ্ডাল, ৫) ব্ৰজমাল, ৭) ফৰমাল, ৮) বৰ হাজোৱাল, ৯) মৰু হাজোৱাল, ১০) দংৱাল, ১১) দিঙিয়াল, ১২) কোমৰাল, ১৩) ঢেকিয়াল, ১৪) লাঠিয়াল, ১৫) চেতিয়াল এই চৈধ্য বংশৰ ৰজাই ৮৩০ খ্ৰীষ্টাব্দৰ পৰা প্ৰায় ১৭৮০ খ্ৰীষ্টাব্দ মনলৈ এই ৰাজ্যত ৰাজত্ব কৰাৰ কথা উল্লেখ পোৱা যায়।

হালাল ৰাজ্যৰ কছাৰীসকল কেতিয়া কি সূত্ৰত সোণোৱাল নামে জনাজাত হ'ল এই বিষয়ে বিভিন্নজনে বিভিন্ন ধৰণেৰে মত পোষণ কৰে।[১]

## দ্বিতীয় অধ্যায়

### ২.০০ বহুৱা নাচৰ উৎপত্তি ঃ

বহুৱা সাধাৰণ অৰ্থত ভেঙুচালি কৰা বা ধেমালি ধূৰ্তালি কৰা। আকৌ বিশেষ্য ৰূপত বহুৱা মানে খুহুটিয়া ভাৰৰীয়া। কিন্তু 'বহুৱা নাচ' সোণোৱাল কছাৰীসকলৰ সামাজিক উৎসৱৰপৰা আধ্যাত্মিক আদৰ্শলৈ উত্তৰণ ঘটিছে। গতিকে বহুৱা নাচৰ অৰ্থও এক গভীৰ তত্বপূৰ্ণ ভাৱেৰে ভৰপূৰ হৈ আছে।

বহুৱা শব্দটো মূল বহ ধাতুৰ পৰা উৎপত্তি হৈছে। বহ ধাতুৰ সৈতে উৱা তদ্ধিত প্ৰত্যয় সংযোজিত হৈ বহুৱা শব্দৰ উৎপত্তি হৈছে। অৰ্থাৎ বহ +উৱা = বহুৱা। এতেকে এই 'বহুৱা' শব্দই স্থাপন কৰা বা মানুহ মাতি মানি বসতি কৰাৰ (অসমীয়া শব্দকোষ, পৃঃ ৮৫২) অৰ্থ বহন কৰে। এইখিনিতে প্ৰশ্ন হয়, বহুৱা শব্দই কি স্থাপন কৰা আৰু কোনে কাক মাতি আনি মানুহৰ বসতি কৰাৰ কথা সূচাইছে ?

এনে ধৰণে 'নাচ' শব্দটি উৎপত্তি কেন্দ্ৰস্থললৈ গলে সংস্কৃত শব্দকেইটিৰ ওচৰলৈ যাব লাগিব। যথা -

| | | |
|---|---|---|
| নৃত্য | নৃত্ত | নাট্য |
| অৰ্থাশ্ৰয়ী | বাস্তাশ্ৰয়ী | বচন |
| ভাবাশ্ৰয়ী | গীতাশ্ৰয়ী | অভিনয় |

নাচ আকৌ নৃত্যৰ বিশেষ্য ৰূপ তথা নিৰ্দ্দিষ্টাৰ্থক অনুগৰ্ম ৰূপটো নাচ হয়। গতিকে বহুৱা নাচে গীতাশ্ৰয়ী, বাদ্যশ্ৰয়ী, ভাৱাশ্ৰয়ী ইত্যাদি আটাইবোৰ দিশ সামৰি লয়।

**বহুৱা নাচৰ পৰিচয় ঃ**

মানৱ সভ্যতাৰ আদিমতম বমন-ভূষণ আছিল গছৰ পাত অথবা বাকলি। ই ইতিহাস সত্য। এই তথ্যক বাস্তৱত অন্যান্য ৰূপত সোণোৱাল কছাৰীসকলে তেওঁলোকৰ পৰম্পৰাগত লোক-কৃষ্টিত আজিও জীৱন্ত কৰি ৰাখিছে। চিৰিলি চিৰিলি কলপাতৰ বহন পৰিচিত সোণোৱাল কছাৰীসকলৰ এই বিশেষ লোক-কৃষ্টিত নাম হৈছে 'বহুৱা নাচ'। আলোচনাটি আগবঢ়াই নিবৰ বাবে সমলসমূহ ডিব্ৰুগড় জিলাৰ জামিৰা ধমল গাওঁ, নাহৰনি গাঁৱত ক্ষেত্ৰ অধ্যন কৰি সংগ্ৰহ কৰা হৈছে।

সোণোৱাল কছাৰীসকলে শিৱক সন্তুষ্ট কৰাৰ মানসেৰে প্ৰতি দুবছৰৰ মূৰে মূৰে সাত বহাগৰ দিনা 'বহুৱা নাচ' পৰম্পৰাগত উৎসৱ পালন কৰে। হাবি জংঘলেৰে ভৰপূৰ এক বিশেষ নিৰ্বাচিত স্থানত বহাগৰ ষষ্ঠ দিনা শিৱ পূজাৰ স্থান চাফ-চিকুণাই থোৱা হয়। পিছদিনা অৰ্থাৎ সপ্তম বহাগৰ দিনা দুজন প্ৰধান শিল্পীক এশ এখিলা কলপাত চিৰিলি চিৰিলি কৰি অন্যান্য ৰূপত গাত পিন্ধোৱা হয়, যাক 'বহুৱা' আৰু বহুৱানী বুলি কোৱা হয়। বহুৱা আৰু বহুৱানীক অনুকৰণ কৰি অৰ্ধভাৱে কলপাতৰ বসন পৰিহিত আৰু বহুকেইজন সহশিল্পী নাচ পৰিৱেশন কৰে। এওঁলোকক যখ-যখিনী বা ভূত প্ৰেত বুলি কোৱা হয়। উৰেৰাতি উপবাসেৰে থকা এই শিল্পীসকলে পিছদিনা শিৱলৈ আগবঢ়োৱা পূজাভাগি নিৰ্মালি ৰূপত পান কৰে। যাক সহজ ভাষাত শিল্পীসকলে বায়নৰ মৃদাংগ তাল (পাতিতাল) আৰু স্থান বিশেষে ঢোলৰ ছেৱে ছেৱে এক বিশেষ ভংগীমাত নৃত্য কৰি হাবিৰ মাজেৰে শিৱক পূজা কৰা ঠাইৰপৰা আগতে নিৰ্দ্দিষ্ট কৰি ৰখা মুকলি ঠাইলৈ ওলাই আহে।

বহুৱা আৰু বিহুৱানী নাচৰ ভংগীত সকলোতকৈ আগত আৰু তেওঁলোকৰ পিছে সহশিল্পীসকলে অনুসৰণ কৰি নাচি নাচি নদীলৈ বুলি গুচি যায়। উল্লেখ্য যে মুকলি ক্ষেত্ৰখনত বহুৱা আৰু বিহুৱানীয়ে

হাতত বহুৱাৰ লাঠি লৈ নাচি নাচি ওলাই আহি থাকে আৰু প্ৰয়োজন সাপেক্ষে সহশিল্পীসকলক প্ৰহাৰো কৰে আকৌ বিহপুৰিয়া অঞ্চলত বিহু কৰি থকা গাভৰুসকলেহে সাতপাক দি নচুৱাই নচুৱাই নদী বা বিললৈ বুলি লৈ যায়। সোণোৱালসকলৰ লোকবিশ্বাস মতে এই বহুৱা আৰু বিহুৱানীৰ পদধূলাৰ পৰশ পালে নদন বদন হয়। সেয়ে নদীলৈ বা বিললৈ গলে শস্য পথাৰ গৰকাই নিয়াৰ নিয়ম। অৰ্থাৎ বহুৱা নাচৰ সৈতে উৰ্বৰতাৰ এক নিবিৰ সম্পৰ্ক আছে।

নদী বা বিললৈ আহি বহুৱা আৰু বিহুৱানীসহ অন্যান্য শিল্পীসকলে শিৰক স্তুতি কৰি একে জুবুৰে গাৰ সমস্ত বদন পানীৰ তলতে খুলি অহাৰ নিয়ম। মুঠ কথা শিৰৰ সন্তুষ্টিয়ে এই গৰ্বত সাৰমৰ্ম।[২]

## তৃতীয় অধ্যায়

### ৩.০০ বহুৰা নৃত্যৰ তাৎপৰ্য ঃ

ব্ৰহ্মাৰ পুত্ৰ দক্ষ ৰজাই বৃহস্পতি সব নামক এক মহাযজ্ঞৰ আয়োজন কৰিছিল। যজ্ঞলৈ ব্ৰহ্মা, বিষ্ণু আদি দেৱ দেৱতা, ঋষি-মুনি, গন্ধৰ্ব, কিন্নৰ আদি সকলোকে আমন্ত্ৰণ জনালে। কিন্তু শিৱক সেই যজ্ঞলৈ আমন্ত্ৰণ নকৰিলে। যজ্ঞত দেৱতাসকলৰ মাজত শিৱক দেখা নাপাই দক্ষৰ পিতৃ ব্ৰহ্মা, বিষ্ণু, দেৱতা, ঋষি মুনিসকলে শিৱৰ অবিহনে যজ্ঞ অসম্পূৰ্ণ বুলি কোৱাৰ পাছতো তালৈ ভ্ৰুক্ষেপ নকৰি শিৱক নানা ধৰণেৰে নিন্দা-ভৎসনাহে কৰিবলৈ ধৰিলে। সতীয়ে স্বামীৰ অনুমতি লৈ অনিমন্ত্ৰিত হ'লেও পিতৃগৃহৰ যজ্ঞৰ স্থানলৈ আহিল। পিতৃগৃহৰ যজ্ঞ স্থানত সতীয়ে আশা কৰা মতে পিতৃ-মাতৃ আৰু যজ্ঞত উপস্থিত থকা দেৱ দেৱতা, ঋষি-মুনীসকলৰ পৰা সমাদৰ নাপালে। যজ্ঞস্থলীত অনিমন্ত্ৰিত সতীক দেখি দক্ষৰাজ অধিক ক্ৰোধন্বিতত হৈ শিৱক নানা নিন্দা-ভৎসনা কৰিবলৈ ধৰাত সতীয়ে স্বামীৰ প্ৰতি কৰা নিন্দা-ভৎসনা সহ্য কৰিব নোৱাৰি যজ্ঞস্থলীতে প্ৰাণ ত্যাগ কৰিলে। নিজ পত্নী সতীৰ প্ৰাণ ত্যাগৰ কথা জানিব পাৰি শিৱই শিৱৰ যোগ্যস্থলীলৈ আহি অতি ক্ৰোধন্বিত হৈ পৰাত শিৱৰ জঁটাৰ দুটা অংশ ছিঙি পৰিল আৰু ছিঙি পৰা সেই জঁটাৰ পৰাই “বীৰভদ্ৰ” আৰু “মহাকালি” আৰ্বিভাৱ হ'ল। শিৱৰ আজ্ঞানুসৰি বীৰভদ্ৰই শিৱৰ অনুচৰসকলক লগত লৈ দক্ষৰ যজ্ঞ ধ্বংস কৰিবলৈ ধৰিলে। দক্ষ যজ্ঞৰ পুৰোহিত ভৃত্তৰ ডাঢ়ি-গোঁফ উভালি সৰ্বস্বান্ত কৰিলে। শিৱদ্ৰোহী দক্ষৰ মূৰ যজ্ঞ কুণ্ডত দলিয়াই ভস্মীভূত কৰিলে। আনহাতে শিৱই সতীৰ শৱদেহ কান্ধত লৈ সতীৰ বিৰহত দিক-বিদিক হেৰুৱাই চৌদিশে ভ্ৰমিবলৈ ধৰিলে। শিৱৰ এনে অৱস্থা দেখি বিষ্ণুৱে সুদৰ্শন চক্ৰৰে সতীৰ দেহ খণ্ড খণ্ড কৰি কাটি পেলালে। বাকী ৰ'ল মাত্ৰ শিৱৰ কান্ধত লাগি থকা ৰাজহাড়ৰ তেৰটুকুৰা অস্থি আৰু তেৰ টুকুৰা গ্ৰন্থি, সতী দেহৰ অংগ পৰা ঠাইত একোখনকৈ গীঠ প্ৰতিষ্ঠা হৈ মুঠ একাৱন্নখন গীঠ হ'ল। শিৱৰ কান্ধত লাগি থকা সতীৰ ৰাজহাড়ৰ তেৰ টুকুৰা অস্থি আৰু তেৰ টুকুৰা গ্ৰন্থি শিৱৰ গাৰ পৰা এৰুৱাই আনি শিৱৰ শিষ্য মনুষ্যসকলক দিবলৈ শিৱৰ পৰম শিষ্য নন্দী, ভৃঙ্গীয়ে শিৱৰ বীজ মন্ত্ৰৰে শোধন কৰি হুঁচৰি টকা হিচাপে ব্যৱহাৰ কৰিবলৈ দিয়ে। আনহাতে বীৰভদ্ৰৰ অত্যাচাৰত দক্ষ যজ্ঞ ধ্বংস হৈ পৰাত যজ্ঞ অসমাপ্ত হৈ ৰ'ল। দক্ষ যজ্ঞৰ পুৰোহিসকলকে আদি কৰি দেৱ-দেৱতা, ঋষি মুনিসকলৰ নানা দুৰ্গতি হ'ল। দক্ষ ৰজাৰ ৰাজ্যত সকলোফালে অমংগলৰ সূচনা হ'ল। দক্ষৰ পিতৃ ব্ৰহ্মা আৰু বিষ্ণু মহা চিন্তাত পৰিল। অসমাপ্ত যজ্ঞ সমাপ্ত কৰি দেৱ-দেৱতা, ঋষি মুনিসকলৰ সিদ্ধান্ত কৰিলে। শিৱ আওতোষ অৰ্থাৎ অতি সোনকালে প্ৰসন্ন হয়। ব্ৰহ্মা, বিষ্ণু সহিতে সকলো দেৱ-দেৱতাই শিৱৰ ওপৰত কৰযোৰে প্ৰাৰ্থনা জনাই ক'লে “আপুনি সমস্ত সৃষ্টিৰ আদি আৰু কাৰণ। আপোনাৰ নিৰ্দেশত বায়ু প্ৰবাহিত হয়। সূৰঞ্জয্যৰ তাপ বিকিৰিত হয়। সৃষ্টিৰ বিনাশ হয়। আমি অতি দীন-দুখী হিচাপে প্ৰাৰ্থনা জনাইছোঁ আমাক ক্ষমা কৰক । দক্ষ যজ্ঞৰ দুৰ্দখাগ্ৰস্ত দেৱ-দেৱতা, ঋষিমুনি সকলক উদ্ধাৰ কৰক”। দেৱতাসকলৰ কৰুণ প্ৰাৰ্থনা শুনি দেৱ-দেৱীক শিৱই ক'লে - “দক্ষ যজ্ঞৰ ধ্বংস মোৰ দ্বাৰা হোৱা নাই। নিজৰ অহংকাৰ দম্ভৰ বাবে নিজৰ বিনাশ ঘটিছে। আনক অন্যায় কৰিবলৈ গৈ নিজৰ ধ্বংস মাটি আনিছে। আপোনালোকৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ দক্ষ ৰজাক সামান্য বালক ৰূপে জ্ঞান কৰি ক্ষমা দান কৰিলোঁ। দক্ষ যজ্ঞৰ দুৰ্গত সকলৰ দূৰ্গতি বিনাশ হৈ পূৰ্ণাংগ জীৱন প্ৰাপ্তিৰ বৰদান দিলোঁ।”

শিৱৰ আশীৰ্বাদ লাভ কৰি শিংযুক্ত ছাগলীৰ মূৰ সংযোগ কৰি দক্ষৰ জীৱন দান আৰু দেৱ-দেৱতা, ঋষি-মুনিসকলে পুনৰ জীৱন লাভ কৰিলে।

**বহুৱানাচ সন্দৰ্ভত জনশ্ৰুতি ঃ**

'বহুৱা নাচ' সন্দৰ্ভত সোণোৱাল কছাৰী জনসমাজত ভিন্ন ভিন্ন লোকবিশ্বাস বা কিংবদন্তি পোৱা যায়। গতিকে 'বহুৱা নাচ' সন্দৰ্ভত অতীত ইতিহাস পাবলৈ হ'লে এই লোকবিশ্বাস বা কিংবদন্তিসমূহৰ চাপিবই লাগিব।

ডিব্ৰগড়ৰ জামিৰা অঞ্চলত 'বহুৱা নাচ' সন্দৰ্ভত প্ৰচলিত লোকবিশ্বাস বা কিংবদন্তিৰ কাহিনীটো শিৱ-পাৰ্বতী আৰু দক্ষ-দক্ষাণীৰ সৈতে জড়িত ভাগৱত পুৰাণৰ কাহিনীৰ আধাৰত নিৰ্মিত।

বহুৱা নৃত্যৰ লগত জড়িত বহুৱা বহুৱানী সম্পৰ্কীয় কিছুমান জনশ্ৰুতি পোৱা যায়। জনশ্ৰুতিৰ মতে বহুৱা হৈছে দক্ষ ৰজা আৰু বহুৱানী হৈছে দক্ষ ৰজাৰ ভাৰ্যা। বহুৱা নৃত্যৰ জন্মৰ আঁৰত সতীৰ দেহত্যাগ, শিৱই দক্ষ ৰজাৰ যজ্ঞ চূড়মাৰ কৰা পৌৰাণিক কাহিনীটো জড়িত হৈ আছে। সতীয়ে পিতৃ দক্ষই অনুষ্ঠিত কৰা যজ্ঞত অপমানিত হৈ দেহ ত্যাগ কৰাৰ সংবাদ শিৱই ধ্যান যোগে লাভ কৰে। তাৰ পিছত অনুচৰ বৰ্গৰ সৈতে যজ্ঞত উপস্থিত হৈ ক্ৰোধিত শিৱই দক্ষৰ লণ্ড-ভণ্ড কৰে আৰু দক্ষৰ মুণ্ড ছেদ কৰে। পিছত দক্ষৰ পত্নীৰ কাতৰ অনুৰোধত যজ্ঞত বলি দিয়া ছাগলীৰ মূৰ এটা দক্ষৰ ডিঙিত জোৰা দি দক্ষক জীৱিত কৰি তোলে। প্ৰাণ ঘূৰাই পাই উঠাত দক্ষানীয়েও এটা ছাগলীৰ মূৰ লগাই লৈ আনন্দত নাচিবলৈ ধৰিলে। এই আনন্দত তেওঁলোক ইমানেই আত্মহাৰা আছিল যে নিজৰ গাৰ কাপোৰ খুলি যোৱাৰ কথাও গমকে নাপালে। নিজকে দেখিবলৈ আপচু হোৱাত যজ্ঞথলীৰ কলপাতকে চিৰিলি চিৰিলি কৰি দক্ষ আৰু দক্ষাণীয়ে গাত মেৰিয়াই কিম্ভূত-কিসাকাৰ ৰূপত সজাই ল'লে। শিৱৰ অনুচৰ ভূত-প্ৰেত সকলোৱে মিলি ঢোল-মৃদংগ বজাই দক্ষ-দক্ষাণীক ইতিকিং কৰিলে। অৰ্থাৎ সোণোৱাল সম্প্ৰদায়ে ৰজা শিৱক কৰা অপমান প্ৰতিশোধ লোৱাৰ ছবিটোহে বহুৱা নাচত ফুটাই তোলে বুলি আজিও বিশ্বাস কৰে।

লখিমপুৰৰ বিহপুৰীয়া অঞ্চলত প্ৰচলিত জন-বিশ্বাস অনুসৰি অন্য এক কাহিনী পোৱা যায়। এই জনবিশ্বাসক লৈ 'বহুৱা পুস্তিকা প্ৰস্তুত সমিতি'য়ে প্ৰস্তুত কৰা পুস্তিকা অনুসৰি বহুৱাৰ আবিৰ্ভাৱ স্বৰ্গৰ ইন্দ্ৰপুৰীৰ পৰা মৰ্ত্যৰ গাঁওবাসীৰ এক অস্বাভাবিক দৃশ্যৰ উপস্থিতি।

জনবিশ্বাস অনুসৰি আদিতে মৰ্ত্যত গীত-মাত, নৃত্য-বাদ্য আদিৰ একোৱেই প্ৰচলিত নাছিল। সোণোৱালসকলৰ আদিগুৰু 'গজাই' ভাওঁৰীয়াই স্বৰ্গৰ ইন্দ্ৰপুৰীলৈ গৈ এই গীত-মাত, নৃত্য-বাদ্য শিকি অহাৰ উদ্দেশ্য আলোচনা কৰি যোৱাৰ দিহা কৰিলে।

গুৰুৰ এনে সিদ্ধান্ত আলাপ-আলোচনাৰ কথা গাঁৱৰ এহাল বুঢ়া- বুঢ়ীয়ে শুনি তেওঁলোক মনে মনে স্বৰ্গপুৰীলৈ বুলি পুতেকৰ কান্ধত মাক, মাকৰ কান্ধত বাপেক উঠি চৰাইৰ ডেউকাৰ দৰে তেওঁলোক ছয়োজন হাতেৰে কোবাই কোবাই স্বৰ্গলৈ যাত্ৰা কৰিলে। স্বৰ্গপুৰী পাই ইন্দ্ৰৰ ৰাজসভাৰ কাষতে থকা এজোপা গছৰ খোৰুঙত লুকাই থাকি সাত দিন ধৰি চলা নৃত্য-গীতৰ কৰ্মশালা উপভোগ কৰিলে। কিন্তু সাতদিনৰ দিনা বুঢ়াই হঠাৎ হাচিওৱাত সেই শব্দ গৈ দেৱতাসকলৰ কাণত পৰিল আৰু দেৱতাসকলে অনুমান কৰিলে যে তেওঁলোকৰ অনুষ্ঠান কোনোবা মনিচে উপভোগ কৰি আছে।

নৰমনিচৰ চৌৰ্য কাৰ্যত অসন্তুষ্ট হৈ দেৱতাসকলে তেওঁলোকক বিচাৰি শেষত এজোপা গছৰ খোৰোঙত আৱিষ্কাৰ কৰিলে আৰু তেওঁলোকক উলংগ কৰি পৃথিৱীলৈ খেদি দিলে। লাজে-অপমানে জৰ্জৰিত হৈ উলংগ অৱস্থাত তেওঁলোক গাঁৱলৈ যায় কেনেকৈ ? সেয়েহে তেওঁলোকে হাবিত সোমাই গছৰ ডাল-পাত পৰিধান কৰি গাঁৱলৈ আহিব ধৰিলে। কিন্তু তেওঁলোকৰ দৈহিক অৱয়বত অস্বাভাবিকতা প্ৰকাশ পোৱাত তেওঁলোক সাধাৰণ মানুহৰ আতংকৰ কাৰণ হৈ পৰিল। তেওঁলোকক সেই ৰূপত গ্ৰহণ নকৰাত স্বৰ্গত দেখি

অহা নৃত্যৰ ভংগিমাৰে নাচি গাঁওবাসীৰ মন আকৃষ্ট কৰিব বিচৰাত হিতে বিপৰীত হ'ল। তেওঁলোকৰ আচহুৱা ৰূপ আৰু ধৰণ-কৰণে গাঁওবাসীক বেছি ভয়হে খুৱালে। অদ্ভূত তিনিটাক খেদিবৰ বাবে একগোট হৈ গাঁৱৰ পূজাস্থলীত সকলো সমৱেত হৈ প্ৰাৰ্থনা কৰি খেদি গ'ল। গাঁওবাসীৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি গাঁৱৰ এমুৰেদি গৈ এটা পুখুৰীত পৰি তেওঁলোক অদৃশ্য হৈ গ'ল। এনেধৰণৰ অদৃশ্য হোৱা কাৰ্য্যই গাঁওবাসীক বিস্মিত কৰি তুলিলে আৰু তেওঁলোক কোনোবা দেৱ - দেৱী বুলি বিশ্বাস কৰিব ধৰিলে। সম্ভাৱনীয় বিপদৰপৰা হাত সাৰি গাঁওবাসীয়ে স্বস্তিকৰ নিশ্বাস পেলালে আৰু জীৱকেইটাৰ অনুকৰণত সোণোৱালসকলে পৰম্পৰাগতভাৱে নৃত্য-অমংগল দূৰ কৰাৰ লক্ষ্যৰে 'বহুৱা নাচ' পালন কৰি আহিছে।

'আদিম ৰূপত মুখা পিন্ধি আৰু কলপাত চিৰিলি চিৰিলিকৈ ফালি তাক বসন হিচাপে পৰিধান কৰি অদ্ভূত জীৱ দুটাৰ সাদৃশ্যত বহুৱা আৰু বহুৱানী অৰ্থাৎ পুৰুষ নাৰীৰ প্ৰতীকৰূপে বহুৱা নাচৰ আয়োজন কৰে।

স্বৰ্গপুৰীত ইন্দ্ৰৰ ৰাজসভাত মৰ্ত্যৰ লোকসকলে নৃত্য-গীত প্ৰতিযোগিতাৰ বাবে গৈছিল আৰু তেওঁলোক প্ৰতিযোগিতাৰ শীৰ্ষস্থান দখল কৰি মতলীয়া হৈ ঘূৰি আহোঁতে দেৱতাসকলে ঈৰ্ষাত আগচি ধৰি অত্যাচাৰ কৰি নৰ্তকসকলৰ গাৰ কাপোৰ খুলি পেলায়। তেওঁলোকে লজ্জা নিবাৰণৰ বাবে অৰণ্যত গছৰ পাত পিন্ধি উলটি আহে।

## চতুৰ্থ অধ্যায়

**৪.০০ পৰিবেশনৰ স্থান ঃ**

নিৰ্বাচিত এডোখৰ বহল মুকলি ঠাই। ঠাইডোখৰ চাৰিওফালে বেৰি লয়। প্ৰৱেশ, প্ৰস্থানৰ বাবে দুখন দুৱাৰ থাকে। কোনো কোনো তথ্য মতে ঠাইডোখৰ মাটিকালি চাৰিবিঘা হ'ব লাগে বুলি উল্লেখ পোৱা যায়।

**৪.০১ পৰিৱেশনৰ সময় ঃ**

বহুৱা নৃত্য বহাগ মাহৰ শেষৰফালে পৰিৱেশন কৰা হয়।

**৪.০২ পৰিৱেশনৰ ৰীতি ঃ**

বহুৱা নৃত্যত কোনো নিৰ্দিষ্ট ভংগিমা দেখা নাযায়। বহুৱা-বহুৱানীয়ে মৃদংগৰ তালে তালে ৰাজকীয় ভংগিমাৰে ধীৰে ধীৰে পদ সঞ্চালন কৰি যায় আৰু দুয়োখন হাত ওপৰলৈ তুলি বিহু নৃত্যৰ দৰে ভংগিমা কৰে। কিন্তু এই ভংগিমা বিহু নৃত্যতকৈ ধীৰ। বহুৱা-বহুৱানীৰ উপৰিও কেইজনমান ব্যক্তিয়ে ভূত-প্ৰেতৰ ভূমিকা লয়। এওঁলোকক শিৱৰ অনুচৰ বুলি বিশ্বাস কৰে। ইয়াৰ ভিতৰত এজনে এগৰাকী মহিলাৰ ভাও দিয়ে। অনুচৰবোৰে ঢোলৰ চেৱে চেৱে নৃত্য কৰে। মহিলাৰ ভাও দিয়াজনৰ ভংগিমাত কিছু পৰিমাণে বিহু নৃত্যৰ ৰূপ পৰিলক্ষিত হয়। নৃত্য কৰাসকলৰ উপৰিও আন কেইজনমান ব্যত্তিয়ে বাদ্যযন্ত্ৰ সংগত কৰে।

**৪.০৪ লোকবিশ্বাস ঃ**

সোণোৱাল কছাৰীসকলৰ মাজত লোকবিশ্বাস আছে যে বহুৱা নৃত্য পৰিৱেশন কৰিলে গাঁৱৰ অপাই-অমংগল, বিপদ-বিঘিনিৰ পৰা মুক্ত হয়।

**৪.০৫ বাদ্যযন্ত্ৰ ঃ**

মৃদং, ভোৰতাল, ঢোল, তাল, পেঁপা আদি।

**৪.০৬ সাজপাৰ ঃ**

নৃত্য কৰা ব্যক্তিসকলে এক বিশেষ শৈলীৰে কলপাত পৰিধান কৰে। বহুৱা-বহুৱানীয়ে সম্পূৰ্ণ শৰীৰ ঢাক খোৱাকৈ পিন্ধে; অন্যসকলে কঁকাল, হাত, ভৰি আদিত পিন্ধে। বহুৱা-বহুৱানীয়ে লাওৰ খোলাৰে তৈয়াৰ কৰা মুখা পিন্ধে। বহুৱাই মূৰত বাঁহেৰে তৈয়াৰ শিং লগাই লয় আৰু বহুৱানীয়ে কলা কাপোৰেৰে চুলি সজাই লয়। বাদ্যযন্ত্ৰ সংগতকাৰীসকলে চোলা, আঁঠু মুৰত চুৰীয়া আৰু গামোচা পৰিধান কৰে।

**বহুৱা নাচৰ গীত ঃ**

আগলৈ চাবা
পাছলৈ চাবা
ঐ বহুৱা গুৰুদেৱ
আগলৈ দিবা খোজ ।

ইয়াৰোপৰি তলৰ গীতফাকিৰ মাজত বহুৱাৰ সৃষ্টি, বহুৱাৰ সাজপাৰ তথা শৰীৰৰ আৱৰণৰ কথা উল্লেখ আছে -

মনুষ্যৰ মূৰে শুভে ঘন কলা চুলি
বহুৱাৰ গাত শোভা কৰে কলপাতৰ
জুলি মনুষ্যক গাঁৰে শুভে ৰূপালী কাপোৰ,
বহুৱাৰ গাঁৰে শুভে কলপাতবোৰ।
ছাগলৰ মুখ লই দেৰ কীৰ্তি ধৰি
নাচিব লাগিলা পাছে অংগী ভংগী কৰি ।
মহানন্দে আকৰ্ষিলা বিহুৱাৰ মন।
এনেদৰে গীত গাই আনন্দ কৰে।[৪]

## পঞ্চম অধ্যায়

### ৫.০০সিদ্ধান্ত ঃ

সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত বহুৱা নাচৰ সম্পৰ্কে আলোচনা কৰাৰ অন্তত কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰি। সেইকেইটা হ'ল -

১) সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত বহুৱা নৃত্য ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত আৰু বসন্তকালীন ।

২) বহুৱা নাচ পৰিৱেশনৰ অন্তৰালত কিছুমান লোকবিশ্বাস আৰু জনশ্ৰুতি পোৱা যায়।

৩) তেওঁলোকে বহুৱা নৃত্যৰ জৰিয়তে অমংগল আঁতৰাই মংগল সাধন হোৱাৰ আস্থা ৰাখে।

৪) সোণোৱাল কছাৰী সমাজত প্ৰচলিত বহুৱা নৃত্য পুৰুষ কেন্দ্ৰিক।

৫) বহুৱা নৃত্যৰ অন্তৰালত থকা জনশ্ৰুতিবোৰৰ আঁৰত শিৰক সাঙুৰি লোৱা পৰিলক্ষিত হয়।

৬) বৰ্তমান সময়ত সোণোৱাল কছাৰী সমাজত বহুৱা নৃত্যৰ প্ৰচলন হ্ৰাস পাইছে ।

### ৫.০১ উপসংহাৰ ঃ

সংস্কৃতি পৰিবৰ্তনমুখী। সেয়েহে সংস্কৃতিৰ এক অন্যতম উপাদান লোক নৃত্য সমূহো কালৰ ক্ৰমগতিত পৰিবৰ্তন হৈ আহিছে। সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্য বৈচিত্ৰপূৰ্ণ । অৱশ্যে সময়ৰ গতিত মূল সুঁতিৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। মানৱ প্ৰজাতিৰ এই আদিমতম সামাজিক উৎসৱ কালক্ৰমত এক শক্তিৰ ৰহস্য বুজি পূজা অৰ্চনাৰে পুজিবলৈ ধৰিলে। সময়ৰ সোঁতত এই শক্তিয়ে বাস্তৱ ৰূপত ধৰা দিলেহি এক ধৰ্মীয় তত্ত্বলৈ। বৰ্তমানে সোণোৱাল কছাৰীসকলে এই ধৰ্মীয় তত্ত্বকে খ্ৰীং খ্ৰীং বাইথ' ৰূপত আৰাধ্য দেৱতা ৰূপে পূজা কৰি আহিছে। এই পূজা আৰাধ্য দেৱতাক সন্তুষ্ট কৰিবলৈ 'বহুৱা নাচ' দুই বছৰৰ মূৰে মূৰে আয়োজন কৰা হয়। য'ত গাওঁখনৰ অপাই অমংগল দূৰ হৈ খেতি পথাৰ শস্য নদন বদনেৰে উপচি পৰাৰ প্ৰতীকী অৰ্থত পালন কৰা হয় । গাঁৱৰ অপাই অমংগল দূৰ কৰাৰ অৰ্থে উৰ্বৰতাৰ প্ৰতীকৰূপে শ শ বছৰ ধৰি বহুৱা নাচে সোণোৱাল জনগোষ্ঠীৰ জনবিশ্বাসত থিতাপি লৈ আছে। সোণোৱাল সম্প্ৰদায়ৰ এই নাচে অকল অসমৰে নহয় ভাৰতবৰ্ষৰে নহয় সমগ্ৰ প্ৰজাতিৰে সভ্যতা বিকাশত গছৰ পাত পৰিধান কৰা ঐতিহাসিক সত্যৰ পৰিঘটনাক জীৱন্ত ৰূপত তুলি ধৰিবলৈ আজিও সক্ষম হৈ আছে। এইক্ষেত্ৰত আৰু অধিক গৱেষণাধৰ্মী আলাপ-আলোচনাই মানৱ সভ্যতাক ক্ৰমবিকাশৰ বহুখিনি নতুন দিশ বা তথ্য উন্মোচন কৰিবলৈ সক্ষম হ'ব অৰ্থাৎ এক জীৱন্ত দলিল।

**প্ৰসংগ টোকা ঃ**


১) কছাৰী, নন্দেশ্বৰ ঃ সোণোৱাল কছাৰী সমাজ আৰু সংস্কৃতি আৰু ভাষাৰ ভাষাৰ পৰিচয়, পৃঃ ১৯০।

২) দাস, অংশুমান ঃ অসমৰ জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ, পৃঃ ১৯৫-২০৬।

৩) দাস, প্ৰমোদচন্দ্ৰ ঃ অসমৰ সংস্কৃতি জিজ্ঞাসা, পৃঃ ১৬০।

৪) মহন্ত, স্নিগ্ধা ঃ অসমৰ লোকনৃত্য-নাট্য পৰম্পৰা গঠন আৰু পৰিবেশ কলা, পৃঃ ৭৩-৭৫।

**গ্ৰন্থপুঞ্জী ঃ**

১) কছাৰী, নন্দেশ্বৰ ঃ *সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়*, প্ৰকাশক ঃ সোণোৱাল কছাৰী স্বায়ত্ত্ব শাসিত পৰিষদ ডিব্ৰুগড় জনজাতি অধ্যয়ন বিভাগ; প্ৰথম প্ৰকাশ ঃ ২০১১ চন ।

২) দাস, অংশুমান ঃ*অসমৰ জনজাতীয় উৎসৱ-পাৰ্বণ*, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৩, দ্বিতীয় প্ৰকাশ ঃ ডিচেম্বৰ ২০১৬।

৩) দাস, প্ৰমোদ চন্দ্ৰ ঃ *অসমৰ সংস্কৃতি জিজ্ঞাসা*, অলিম্পিয়া প্ৰকাশন; প্ৰথম প্ৰকাশ ঃ মে',২০১৫

৪) মহন্ত, স্নিগ্ধা ঃ *অসমৰ লোকনৃত্য-নাট্য, পৰম্পৰাৰ গঠন আৰু পৰিৱেশ কলা*। প্ৰথম প্ৰকাশ ঃ২৮ জুন, ২০১৭।

৫) শইকীয়া, লভিত কুমাৰ ঃ*সোণোৱাল কছাৰীৰ সংস্কৃতি*, প্ৰকাশক ঃ লভিত কুমাৰ শইকীয়া, মেগলা-ছৈখোৱা ঘাট, তিনিচুকীয়া, অসম। প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী ১৯৮১শক।

**সমলদাতাৰ সকলৰ সংক্ষিপ্ত তথ্য ঃ**

১) নাম : শ্ৰীমতী বিনা কছাৰী
লিংগ : মহিলা
বয়স : ৬০ বছৰ
ঠিকনা : বৰপাছী, বৰহোলা
জীৱিকা : গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

২) নাম : শ্ৰীমতী লক্ষীমাই কছাৰী
লিংগ : মহিলা
বয়স : ৭৫ বছৰ
ঠিকনা : শইদাল কছাৰী, বৰহোলা
জীৱিকা : গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৪.০৫.২১

৩) নাম : শ্ৰীমতী মনিৰাম সোণোৱাল
লিংগ : পুৰুষ
বয়স : ৬৭ বছৰ
ঠিকনা : চেৰেলী পথাৰ ন-পাম, বৰহোলা
জীৱিকা : কৃষি
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৬.০৫.২১

৪) নাম : শ্ৰীমতী বিমলা সোণোৱাল
লিংগ : মহিলা
বয়স : ৪২ বছৰ
ঠিকনা : চেৰেলী পথাৰ ন-পাম, বৰহোলা
জীৱিকা : গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৬.০৫.২১

৫) নাম : শ্ৰীমতী ললিতা কছাৰী
লিংগ : মহিলা
বয়স : ৪০ বছৰ
ঠিকনা : বৰপাছী, বৰহোলা
জীৱিকা : গৃহিনী
সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক : ১৬.০৫.২১

আলোকচিত্ৰ ঃ

সোণোৱাল কছাৰীসকলৰ বহুৱা নৃত্যৰ কিছু দৃশ্য ঃ









